# ৰাজহ পট্টন শাখা

উপায়ুক্ত কাৰ্য্যালয়ৰ অন্যতম এটি গুৰুত্বপূৰ্ণ শাখা হ'ল ৰাজহ পট্টন শাখা। এই শাখাৰ যোগেদি মূলতঃ ভূমিৰ আৱণ্টন ও বন্দোৱস্তী, ভূমি হস্তান্তৰকৰণ প্ৰক্ৰিয়া, ম্যাদীকৰণ প্ৰক্ৰিয়া, এন.আৰ গোচৰ নিষ্পতিকৰন, ইটা ভাটাৰ অনুজ্ঞাপত্ৰ প্ৰদান ও অনুজ্ঞাপত্ৰ নৱীকৰণ প্ৰক্ৰিয়া, পৰিৱেশ প্ৰদুষণমুক্ত (Environment Clearance) বৰ্তাই ৰখা আদেশ প্ৰদানৰ প্ৰক্ৰিয়া ইত্যাদি কাম সমূহ চৰকাৰি বিধি অনুসৰি তলত উল্লেখ কৰা ধৰণেৰে সম্পাদন কৰা হয়। তাৰোপৰি এই শাখাৰ যোগেদি উপায়ুক্ত মহোদয়ে নিৰ্ধাৰণ কৰি দিয়া তাৰিখত ৰাজহ সভা আৰু মহকুমা ভূমি উপদেষ্টা সমিতিৰ বৈঠক অনুষ্ঠিত কৰা হয় ।

# ১) ভূমিৰ আৱণ্টন

অসম চৰকাৰৰ ১৯৮৯ চনৰ ভূমি নীতি আৰু অসম চৰকাৰৰ অধিসূচনা মতে কোনো খিলঞ্জীয়া ভূমিহীন লোকক নগৰ সমিতি বা পৌৰসভা এলেকাৰ পৰা ৩কিঃমিঃ দুৰত্বত অৰ্থ্যাৎ গাঁৱৰ মাটি আৱণ্টন দিয়াৰ ব্যৱস্থা কৰা হয়। চক্ৰ বিষয়াই প্ৰেৰণ কৰা প্ৰস্তাৱসমূহত চৰকাৰী বিধি অনুসৰি নথি উপলব্ধ থাকিলে প্ৰস্তাৱসমূহ মহকুমা ভূমি উপদেষ্টা সমিতিত উপস্থাপন কৰা হয় ।

## ২) ভূমিৰ বন্দোৱস্তী

অসম চৰকাৰৰ ১৯৮৯ চনৰ ভূমি নীতি আৰু অসম চৰকাৰৰ অধিসূচনা মতে নগৰ সমিতি বা পৌৰসভা এলেকাৰ পৰা ৩কিঃমিঃৰ ভিতৰৰ মাটি কোনো খিলঞ্জীয়া ভূমিহীন লোকক বন্দোৱস্তী দিয়াৰ ব্যৱস্থা কৰা হয়। চক্ৰ বিষয়াই প্ৰেৰণ কৰা প্ৰস্তাৱসমূহত চৰকাৰী বিধি অনুসৰি নথি উপলব্ধ থাকিলে প্ৰস্তাৱসমূহ মহকুমা ভূমি উপদেষ্টা সমিতিত উপস্থাপন কৰা হয়।

## ৩) আৱণ্টনভুক্ত বা একচনাভুক্ত জমিৰ ম্যাদীকৰণৰ প্ৰক্ৰিয়া ঃ-

আৱণ্টনভুক্ত বা একচনাভুক্ত জমিৰ ম্যাদীকৰণৰ প্ৰক্ৰিয়া এই শাখাৰ যোগেদি সম্পাদান কৰা হয়। কোনো ব্যক্তিয়ে আৱণ্টনভুক্ত বা একচনাভুক্ত জমি ৩বছৰ বা তাতোধিক সময় নিজ ভোগদখলত ৰাখি ম্যাদীকৰণৰ বাবে আবেদন কৰিলে অসম চৰকাৰৰ অধিসূচনা অনুসৰি গাঁও এলেকাৰ (নগৰ সমিতিৰ/ পৌৰসভাৰ এলেকাৰ পৰা ৩কিঃমি-দূৰৰ) সকলো আৱণ্টন ভুক্ত আৰু একচনাভুক্ত জমি চৰকাৰী প্ৰিমিয়াম জমা নোলোৱাকৈ পোনপটিয়াকৈ ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা লোৱা হয় আৰু নগৰ এলেকাৰ জমি হ'লে চৰকাৰৰ অনুমোদন সাপেক্ষে নিৰ্ধাৰিত চৰকাৰী মূল্যৰ টকা জমা দিলে আবেদিত জমিৰ ম্যাদি পট্টা দিয়া হয়। বৰ্তমান এই প্ৰক্ৰিয়া ONLINE যোগে ` কৰাৰ আৰম্ভ হৈছে ।

## ৪ ) এন.আৰ গোচৰ নিষ্পতিকৰণ

একচনা পট্টাভুক্ত জমি দখল হস্তান্তৰ কৰিলে অসম ভূমিলেখ্য নিয়মাৱলীৰ ১০৫নং ধাৰা অনুযায়ী চক্ৰ বিষয়াই চৰজমিন তদন্ত কৰি স্বতন্তৰিয়াকৈ এটা এন.আৰ.গোচৰ ৰুজু কৰি দখল হস্তান্তৰ কৰা জন আৰু দখল লোৱা জনৰ শুনানি লৈ চূড়ান্ত হুকুমৰ বাবে উপায়ুক্ত কাৰ্য্যালয়লৈ প্ৰেৰণ কৰে। উপায়ুক্ত কাৰ্য্যালয়ে এন.আৰ. গোচৰটোত সংলগ্ন থকা সকলো নথি পৰীক্ষা কৰি সন্তোষীত হ'লে দখল হস্তান্তৰ হোৱা একচনা পট্টাভুক্ত জমি পুনৰ চৰকাৰী কৰণ কৰাৰ আদেশ জাৰি কৰে আৰু নথি সংশোধনৰবাবে চক্ৰ বিষয়াক নিৰ্দেশ দিয়ে। বৰ্তমান এন.আৰ গোচৰসমূহ ONLINE যোগে ` নিষ্পতিকৰণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে ।

# ঘ)ভুমি হস্তান্তৰ কৰন প্ৰক্ৰিয়া(ONLINEযোগে )

যোৱা ইংৰাজী ১৬-৩-২০১৭ তাৰিখৰ পৰা ভূমি হস্তান্তৰকৰণ প্ৰক্ৰিয়া ONLINE যোগে আৰম্ভ হয়। ১৯০৮ চনৰ পঞ্জীয়ন আইনৰ ২১ নং ধাৰা মতে ম্যাদী পট্টাভুক্ত জমি থকা সকলো পট্টাদাৰেই নিজ নামভুক্ত ও দখলভুক্ত জমি বিক্ৰি কৰিবৰ বাবে জিলা প্ৰশাসনৰ পৰা আপত্তি বিহীন প্ৰমাণ পত্ৰ বিচাৰি সংশ্লিষ্ট ৰাজহ চক্ৰ বা উপায়ুক্ত কাৰ্য্যালয়ত থকা পি.এফ.চি./চি.এচ্.চিৰ পৰা ONLINE যোগে আবেদন কৰিব পাৰে। উক্ত আবেদনত ক্ৰেতা-বিক্ৰেতাৰ সম্পূৰ্ণ ঠিকনা উল্লেখ কৰিব লাগিব আৰু আবেদনত পট্টাদাৰে শুদ্ধভাৱে বিক্ৰি কৰিব বিচৰা জমিৰ তপচিল আৰু মাটিৰ পৰিমাণ উল্লেখ কৰিব লাগিব। আবেদনত ক্ৰেতা-বিক্ৰেতাৰ ফটো পৰিচয়-পত্ৰ আৰু পান কাৰ্ডৰ প্ৰতিলিপি সংলগ্ন কৰিব লাগিব। নিম্নউল্লেখিত নিয়মেৰে ONLINE যোগে ভূমি হস্তান্তৰকৰণ প্ৰক্ৰিয়া সম্পাদান হয় ।

ক) ONLINE-ত আবেদনখন জমা হোৱাৰ পিছত স্বতন্ত্ৰ ভাৱে শাখা বিষয়াৰ ONLINE শিতানত উপলব্ধ হয় । শাখা বিষয়াই আবেদনখন পৰীক্ষা কৰি সংশ্লিষ্ট চক্ৰ বিষয়ালৈ প্ৰেৰণ কৰে ।

খ)চক্ৰ বিষয়াই শাখা বিষয়াৰ পৰা প্ৰাপ্ত আবেদনখন পৰীক্ষা কৰি সন্তোষিত হলে ক্ষেত্ৰ ভিত্তিক চৰজমিন তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিবৰ বাবে সংশ্লিষ্ট লাঃমঃক নিৰ্দেশ দি লাঃমঃজনৰ শিতানলৈ আবেদনখন প্ৰেৰণ কৰে ।

গ)সংশ্লিষ্ট লাট মণ্ডলে আবেদনখন পৰীক্ষা কৰি আবেদনত উল্লেখ কৰা অৰ্থাৎ বিক্ৰি কৰিবলগা জমিৰ ক্ষেত্ৰ ভিত্তিক চৰজমিন ও জৰীপ কৰি ট্ৰেচমেপ সহ বিতং প্ৰতিবেদন লগতে মাণ্ডলিক মূল্য অনুযায়ী মূল্য নিৰ্ধাৰণ কৰি চক্ৰ বিষয়াৰ শিতানলৈ প্ৰতিবেদন প্ৰেৰণ কৰে ।

ঘ) সংশ্লিষ্ট লাট মণ্ডলৰ প্ৰতিবেদন পৰীক্ষা কৰি চক্ৰ বিষয়াজনৰ মনোনিত হ'লে চক্ৰ বিষয়াই নিজৰ মতামত উল্লেখ কৰি পৰবৰ্তী কাৰ্যকৰি ব্যৱস্থা গ্ৰহণৰ বাবে শাখা বিষয়াৰ শিতানলৈ প্ৰেৰণ কৰে।

ঙ) শাখা বিষয়াই লাট মণ্ডলৰ প্ৰতিবেদন আৰু সংলগ্ন যাৱতীয় নথি পৰীক্ষা কৰি আৰু চক্ৰ বিষয়াৰ মতামতৰ ওপৰত মনোনিত হ'লে চুড়ান্ত অনুমোদনৰ বাবে অতিৰিক্ত উপায়ুক্ত(ৰাজহ)লৈ প্ৰেৰণ কৰিব পাৰে নতুবা লাট মণ্ডলৰ প্ৰতিবেদন আৰু সংলগ্ন যাৱতীয় নথিত বিসংগতি পালে পুনৰ শুদ্ধ প্ৰতিবেদন বিচাৰি চক্ৰ বিষয়ালৈ ঘূৰাই পঠিয়াব পাৰে ।

চ) অতিৰিক্ত উপায়ুক্ত(ৰাজহ)ই লাট মণ্ডলৰ প্ৰতিবেদন আৰু সংলগ্ন যাৱতীয় নথি পৰীক্ষা কৰি আৰু চক্ৰ বিষয়াৰ মতামত আৰু শাখা বিষয়াৰ মতামতৰ ওপৰত ভিত্তি কৰি ভূমি হস্তান্তৰৰ আপত্তিবিহীণ প্ৰমাণ পত্ৰ প্ৰদান কৰে বা লাট মণ্ডলৰ প্ৰতিবেদন আৰু সংলগ্ন যাৱতীয় নথিৰ বিসংগতি পালে পুনৰ শুদ্ধ প্ৰতিবেদন বিচাৰি চক্ৰ বিষয়ালৈ ঘুৰাই পঠিয়াব পাৰে বা নাকচ কৰিব পাৰে।

ছ) অতিৰিক্ত উপায়ুক্ত(ৰাজহ)ই প্ৰয়োজন সাপেক্ষে চূড়ান্ত অনুমোদনৰ বাবে কোনো আবেদন উপায়ুক্তলৈ প্ৰেৰণ কৰিব পাৰে ।

জ) উপায়ুক্তই আবেদনখন আৰু সকলো দায়িত্ত্ব প্ৰাপ্ত বিষয়াৰ পৰ্য্যবেক্ষণ কৰি সন্তোষিত হ'লে ভূমি হস্তান্তৰৰ আপত্তিবিহীন প্ৰমাণ পত্ৰ প্ৰদান কৰে বা বিসংগতি পালে পুনৰ শুদ্ধ প্ৰতিবেদন বিচাৰি  বিষয়ালৈ ঘুৰাই পঠিয়াব পাৰে বা নাকচ কৰিব পাৰে। প্ৰয়োজন সাপেক্ষে উপায়ুক্তই উৰ্ধতম কৰ্তৃপক্ষৰ অনুমোদন বিচাৰি চৰকাৰৰ ৰাজহ বিভাগলৈ প্ৰেৰণ কৰিব পাৰে। ৰাজহ বিভাগে উক্ত আবেদন পুনঃনিৰীক্ষণ কৰি অনুমোদন ও নাকচৰ বাবে উপায়ুক্তক কৰ্তৃত্ব প্ৰদান কৰি আবেদনখন পুনৰ ঘুৰাই দিয়াৰ ব্যৱস্থা আছে । এই গোটেই প্ৰক্ৰিয়াটো জিলা উপায়ুক্তৰ তত্ত্বাবধানত কাৰ্যকৰি কৰিবৰ বাবে উপায়ুক্তক কৰ্তৃত্ব দিয়া হৈছে ।

## ৫) ইটা ভাটাৰ অনুজ্ঞাপত্ৰ প্ৰদান ও অনুজ্ঞাপত্ৰ নৱীকৰন প্ৰক্ৰিয়া,

“The Assam brick kilns Establishment & Regulation Rules,2013”-\ Clouse(1), Sub-section 1 of Section 17-ৰ বিধি অনুসাৰে আৰু Pollution Control Board, Assam under Air (Prevention & Control of Polution) Act/1981-ৰ যোগেদি এটা ইটা ভাটা প্ৰতিষ্ঠাৰ বাবে অনুজ্ঞাপত্ৰ প্ৰদান ও অনুজ্ঞাপত্ৰ নৱীকৰণ কৰা হয় ।

# Environment Clearance

ভাৰত চৰকাৰৰ ১৫-১-১৬ তাৰিখৰ আৰু অসম চৰকাৰৰ ১৫-১১-১৬নং অধিসূচনা অনুসৰি যোৰহাট জিলাৰ ক্ষেত্ৰত জিলা উপায়ুক্তক, সভাপতি, অতিৰিক্ত উপায়ুক্ত(ৰাজহ)ক সদস্য সচিব আৰু বন সংমণ্ডল বিষয়া(প্ৰাদেশিক) আৰু বন সংমণ্ডল বিষয়া(সামাজিক বনানীকৰণ) ক সদস্য হিচাপে লৈ District Environment Impact Assessment Committee আৰু জলসিঞ্চন বিভাগ, যোৰহাট সংমণ্ডলৰ কাৰ্য্যাবাহী অভিযন্তাক সভাপতি, ONGC, অসম অৱবাহিকা, চিনামৰা, যোৰহাটৰ জ্যেষ্ঠ ভূ-তত্ত্ব বিদক সদস্য সচিব হিচাপে লৈ মুঠ ১১জন সদস্যৰ District Level Expert Appraisal Committee গঠন কৰা হয় । সকলো বালি খনন আৰু মাটি খনন আবেদন প্ৰথমে District Level Expert Appraisal Committee -ৰ বৈঠকত বিতংকৈ পৰ্য্যালোচনা কৰি Mining Plan অনুযায়ী অনুমোদন কৰি ৰয়েলিটি নিৰ্ধাৰণৰ বাবে আৰু Environment Clearance প্ৰদানৰ বাবে District Environment Impact Assessment Committee লৈ প্ৰেৰণ কৰে আৰু এই সমিতিয়ে নিৰ্ধাৰণ কৰি দিয়া ৰয়েলিটি আবেদনকাৰীয়ে জমা দিলে Environment Clearance প্ৰদানৰ ব্যৱস্থা কৰে ।

# যোৰহাট জিলাৰ PGR & VGR জমিৰ তথ্য ঃ

| ৰাজহ চক্ৰ | VGR সংখ্যা | PGR সংখ্যা | VGR জমি | | | PGR জমি | | |
|---|---|---|---|---|---|---|---|---|
| | | | মাটিকালি | | | মাটিকালি | | |
| | | | বিঘা | কঠা | লোচা | বিঘা | কঠা | লোচা |
| যোৰহাট পুব | ২০ | ২ | ৩৪৫৮ | ০ | ১৯ | ২৩০০ | ১ | ১৯ |
| যোৰহাট পশ্চিম | ৩৪ | ৪ | ৩২৩৪ | ২ | ১২ | ৪৯৭৩ | ৪ | ৫ |
| টীয়ক | ৬০ | ৪ | ১০৭৮৩ | ২ | ১৪ | ৯২৫৭ | ৪ | ৯ |
| তিতাবৰ | ৮০ | NIL | ৬৪৬৫ | ২ | ১ | NIL | | |
| মৰিয়নী | ৪৯ | | ২৬৫২ | ১ | ৯ | | | |
| সৰ্বমুঠ | ২৪৩ | ১০ | ২৬,৫৯৩ | ৪ | ১৫ | ১৬,৫৩২ | ০ | ১৩ |

PGR & VGR মাটিত মহামান্য উচ্চতম ন্যায়লয়ে চিভিল আপিল ১১৩২/২০১১ @SLP© No 3109/2011 গোচৰৰ ৰায় যোগে আৱণ্টন/বন্দোৱস্তী দিয়াৰ ক্ষেত্ৰত নিষেধাজ্ঞা দিয়া আছে ।

# যোৰহাট জিলাৰ PGR & VGR জমিৰ বেদখলৰ  তথ্য ঃ

| ৰাজহ চক্ৰ | বেদখল হোৱা VGR জমিৰ | | | বেদখল হোৱা PGR জমিৰ | | |
|---|---|---|---|---|---|---|
| | বিঘা | কঠা | লোচা | বিঘা | কঠা | লোচা |
| যোৰহাট পুৱ | ১২২২ | ১ | ১৪ | ১২০৪ | ০ | ১০ |
| যোৰহাট পশ্চিম | ২৩৫২ | ১ | ১৪ | ২৪৭০ | ২ | ১১ |
| টীয়ক | ১০০৩৫ | ০ | ১২ | ৮০১০ | ১ | ৭ |
| তিতাবৰ | ৬৪৬৫ | ২ | ১ | NIL | | |
| মৰিয়নী | ১৪৫৫ | ৪ | ১৫ | | | |
| সৰ্বমুঠ | ২১৫৩১ | ০ | ১৬ | ১১৬৪৮ | ৪ | ৮ |

# চিলিং চৰকাৰী ভূমিৰ তথ্য

| ৰাজহ চক্ৰ | চিলিং চৰকাৰী ভূমি | | | বেদখল হোৱা চিলিং চৰকাৰী ভূমি | | |
|---|---|---|---|---|---|---|
| | বিঘা | কঠা | লোচা | বিঘা | কঠা | লোচা |
| যোৰহাট পুব | ৩,৪৫৮ | ৩ | ১৮ | ২১২২ | ২ | ৪ |
| যোৰহাট পশ্চিম | ৯৪৪৫ | ৩ | ১৮ | ১১৩ | ০ | ১১ |
| টীয়ক | ২৫,৫৬৫ | ১ | ১৬ | ৪৪৬২ | ৩ | ১৫ |
| তিতাবৰ | ৩৩,০৮৯ | ৩ | ৭ | ৩৯৯৩ | ১ | ৬ |
| মৰিয়নী | ২০,৪২৬ | ২ | ১৫ | ৮৪১৯ | ২ | ১৯ |
| সৰ্বমুঠ | ৯১৯৮৬ | ০ | ১৪ | ১৯১১১ | ০ | ১৫ |

# চৰকাৰী ভূমিৰ তথ্য

| ৰাজহ চক্ৰ | চৰকাৰী ভুমি | | | বেদখল হোৱা চৰকাৰী ভুমি | | |
|---|---|---|---|---|---|---|
| | বিঘা | কঠা | লোচা | বিঘা | কঠা | লোচা |
| যোৰহাট পুৱ | ৩৫২১১ | ১ | ১৯ | ২৭৪৩ | ০ | ১৬ |
| যোৰহাট পশ্চিম | ৬৫৪৫৭ | ৪ | ৫ | ৮৮১৩ | ১ | ১৫ |
| টীয়ক | ৪৫৫২৪ | ২ | ১৩ | ২৩৬২৩ | ০ | ৬ |
| তিতাবৰ | ৬৮৭৭৮ | ১ | ১ | ৬৫৬৮ | ৪ | ৭ |
| মৰিয়নী | ৬৬৭০ | ৩ | ১৪ | ৫১৫৩ | ০ | ১১ |
| সৰ্বমুঠ | ২২১৬৪২ | ৩ | ১২ | ৪৬৯০১ | ২ | ১৫ |

# যোৰহাট জিলাৰ গড়াখহনিয়াত যোৱা গাঁৱৰ তথ্য

ক) যোৰহাট জিলাত ব্ৰহ্মপুত্ৰ আৰু উপনদীৰ গড়াখহনিয়াত মুঠ ১৫খন গাঁও সম্পূৰ্ণ কৈ জাহ গৈছে আৰু ইয়াৰ মাটিকালি হ'ল- ২৭,৪৭৩বিঘা -২কঠা – ১৮লোচা

খ) যোৰহাট জিলাত ব্ৰহ্মপুত্ৰ আৰু উপনদীৰ গড়াখহনিয়াত মুঠ ১১খন গাঁও আংশিকভাৱে জাহ গৈছে আৰু ইয়াৰ মাটিকালি হ'ল- ৩১৪৫বিঘা -০কঠা – ১৬লোচা

গ) যোৰহাট জিলাত ব্ৰহ্মপুত্ৰ আৰু উপনদীৰ গড়াখহনিয়াত মুঠ ৪৯৭টা পৰিয়ালৰ ২৪১৫জন লোক ক্ষতিগ্ৰস্ত হৈছে আৰু তাৰে ১২৭টা পৰিয়ালক পুনঃসংস্থাপন দিয়া হৈছে ।

# ৰাজহ সভা আৰু মহকুমা ভূমি উপদেষ্টা সমিতি

ক) উপায়ুক্ত মহোদয়ে ধাৰ্য্য কৰা দিনত ৰাজহ সভা অনুষ্ঠিত কৰা হয় । ৰাজহ সভাত ভূমি সম্পৰ্কত সকলো দিশ পৰ্য্যালোচনা কৰা হয় আৰু এই সভাতে দুৰ্য্যোগ ব্যৱস্থাপনাৰ সন্দৰ্ভতো বিতংকৈ আলোচনা কৰি দুৰ্য্যোগৰ সময়ত তাৎক্ষনিকভাৱে কাৰ্যকৰি ব্যৱস্থা লবৰ বাবে সংশ্লিষ্ট সকলো বিভাগক উপায়ুক্ত মহোদয়ে নিৰ্দেশ দিয়ে ।

খ)অসম চৰকাৰৰ নিৰ্দেশ অনুসৰি উপায়ুক্তক সভাপতি, অতিৰিক্ত উপায়ুক্ত(ৰাজহ)ক সদস্য সচিব, আৰু জিলাৰ অন্তৰ্গত লোকসভা আৰু বিধানসভাৰ সমষ্টিৰ সদস্যসকলক আৰু চক্ৰ বিষয়াসকল আৰু যোৰহাট পৌৰসভা, যোৰহাট জিলা পৰিষদ আৰু টীয়ক নগৰ সমিতিৰ সভাপতিক সদস্য হিচাপে লৈ যোৰহাট মহকুমা ভুমি উপদেষ্টা সমিতিখন গঠন কৰা হৈছে। যোৰহাট মহকুমা ভূমি উপদেষ্টা সমিতিৰ বৈঠক যোৱা ইং ১৫-৫-১৮তাৰিখে অনুষ্ঠিত হৈছিল আৰু এই বৈঠক সভাৰ সৰ্বসন্মতি ক্ৰমে চৰকাৰী কাৰ্য্যালয়/অনুষ্ঠান-প্ৰতিষ্ঠানৰ ১৬টা আৱণ্টন প্ৰস্তাৱ অনুমোদন জনোৱা হয় ।